**REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 30-MAY-2026 **Time :** 09-00 AM

***Assamese Morning Bulletin***

——————————————

**<u>HEADLINES (0900 AM)</u>**

১। আন্তঃৰাজ্যিক সীমা সমস্যাৰ স্থায়ী সমাধানৰ দিশে শীঘ্রে অগ্রসৰ হ'বলৈ অসম আৰু মেঘালয়ৰ মুখ্যমন্ত্রীৰ সিদ্ধান্ত গ্রহণ।

২। ৰাজ্যপাল লক্ষ্মণ প্রসাদ আচাৰ্যৰ নেতৃত্বত ভগৱান বুদ্ধৰ দুগৰাকী প্রধান শিষ্যৰ পবিত্র অৱশেষ প্রদর্শনীৰ বাবে এটা প্রতিনিধি দল আজি মংগোলীয়া অভিমুখে ৰাওনা।

৩। ৰাজ্যত আসন্ন লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে লোকপিয়ল সঞ্চালকালয়ৰ প্রাৰম্ভিক প্রস্তুতি প্রায় সম্পূর্ণ।

৪। ৰাজহুৱা খণ্ডৰ তৈল বিপণন কোম্পানীসমূহক কমেও ৩০ দিনৰ বাবে ৰন্ধন গেছৰ ভাণ্ডাৰ সংৰক্ষিত কৰি ৰাখিবলৈ চৰকাৰৰ নির্দেশ।

**আৰু**

৫। আই পি এল ক্রিকেট প্রতিযোগিতাৰ দ্বিতীয়খন কোৱালিফায়াৰত ৰাজস্থান ৰয়েলছক ৭ উইকেটত পৰাস্ত কৰি গুজৰাট টাইটানছৰ ফাইনেলত প্রৱেশ।

০০০০০০

মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু মেঘালয়ৰ মুখ্যমন্ত্রী কনৰাড চাংমাই আন্তঃৰাজ্যিক সীমা সমস্যাৰ স্থায়ী সমাধানৰ দিশে শীঘ্রে অগ্রসৰ হ'বলৈ সিদ্ধান্ত গ্রহণ কৰিছে। অসম-মেঘালয়ৰ দীর্ঘদিনীয়া সীমা সমস্যা সমাধানৰ লক্ষ্যৰে মেঘালয়ৰ মুখ্যমন্ত্রীৰ নেতৃত্বত এটা প্রতিনিধি দলে কালি দিছপুৰ লোকসেৱা ভৱনত মুখ্যমন্ত্রী ড০ শৰ্মাৰ সৈতে আলোচনাত মিলিত হয়। সামাজিক মাধ্যমৰ এটা বার্তাত ড০ শৰ্মাই কয়, যে এই আলোচনাকালত তেওঁলোকে অসম-মেঘালয় সীমান্তৰ বিষয়ৰ উপৰি বিভিন্ন আন্তঃৰাজ্যিক প্রসংগত মত বিনিময় কৰে। তেওঁলোকে লগতে **এক ভাৰত-শ্রেষ্ঠ ভাৰত**ৰ দর্শনেৰে অসম আৰু মেঘালয়ে বিভিন্ন ক্ষেত্রত সহযোগিতা বৃদ্ধি কৰাৰ লগতে অষ্টলক্ষ্মী অঞ্চলৰ বিকাশ ত্বৰান্বিত কৰিব পৰা নতুন সম্ভাৱনাসমূহৰ অন্বেষণ সন্দৰ্ভতো আলোচনা কৰে।

উল্লেখযোগ্য যে অসম আৰু মেঘালয়ৰ ৮৮৪ দশমিক ৯ কিলোমিটাৰ দৈর্ঘ্যৰ আন্তঃৰাজ্যিক সীমাৰ লগতে ১২টা অঞ্চলত দীর্ঘদিন ধৰি বিবাদ চলি আছে।

০০০০০০০০০

ভগৱান বুদ্ধৰ দুগৰাকী প্রধান শিষ্য অৰহন্ত চাৰিপুত্র আৰু অৰহন্ত মোডগাল্যায়ানৰ পবিত্র অৱশেষ প্রদর্শনীৰ বাবে অসমৰ ৰাজ্যপাল লক্ষ্মণ প্রসাদ আচাৰ্যৰ নেতৃত্বত ভাৰতৰ এটা প্রতিনিধি দল আজি মংগোলীয়া অভিমুখে ৰাওনা হ'ব। ভাৰত আৰু মংগোলীয়াৰ মাজৰ শতিকাজোৰা সভ্যতাগত সম্পর্ক সুদৃঢ় কৰাৰ লক্ষ্যৰে সংস্কৃতি মন্ত্রালয়ৰ অধীনত এই প্রদর্শনীৰ আয়োজন কৰা হৈছে। মধ্যপ্রদেশৰ ছাঁচী বিহাৰ

চৈত্যত এই পবিত্ৰ অৱশেষ সংৰক্ষণ কৰি ৰখা হৈছে আৰু মংগোলীয়াত এই অৱশেষ প্ৰদৰ্শনীৰ বাবে অহা ৯ জুনলৈ ৰখা হ'ব। এই প্ৰদৰ্শনকালত দেশখনৰ বহু ভক্ত, বৌদ্ধ ভিক্ষু তথা পণ্ডিতসকলে পবিত্ৰ অৱশেষৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিব। মংগোলীয়া যাত্ৰাৰ পূৰ্বে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আকাশবাণী গুৱাহাটীযোগে এটি বাৰ্তা প্ৰেৰণ কৰিছে।

**বাইট (ৰাজ্যপাল)**

000000000

পশ্চিম এছিয়াৰ সংঘৰ্ষৰ ফলত গোলকীয় শক্তি যোগান ব্যৱস্থা ব্যাহত হৈ থকাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে ৰাজহুৱা খণ্ডৰ তৈল বিপণন কোম্পানীসমূহক কমেও ৩০ দিনৰ বাবে ৰন্ধন গেছৰ ভাণ্ডাৰ সংৰক্ষিত কৰি ৰাখিবলৈ নিৰ্দেশ দিছে। পশ্চিম এছিয়াৰ সংঘৰ্ষ সন্দৰ্ভত কালি এখন আন্তঃমন্ত্ৰী পৰ্যায়ৰ সংবাদমেলত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই এই কথা প্ৰকাশ কৰে। ইন্ধনৰ যোগানৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা সুৰক্ষামূলক ব্যৱস্থাসমূহত আলোকপাত কৰি শ্ৰীমতী শৰ্মাই কয়, যে দেশে খনিজ তেলৰ ভাণ্ডাৰৰ ক্ষমতা বৃদ্ধি কৰাৰ দিশতো কাম কৰি আছে। তেওঁ কয়, যে চৰকাৰে কৌশলগত ভাণ্ডাৰৰ জৰিয়তে ইন্ধন নিৰাপত্তা শক্তিশালী কৰা আৰু নিৰৱচ্ছিন্নভাৱে বাবে যোগান সুনিশ্চিত কৰাৰ বাবেও কাম কৰি আছে। চৰকাৰে লগতে ৰাজ্য চৰকাৰৰ দ্বাৰা পৰিচালিত তৈল বিপণন কোম্পানী, ইণ্ডিয়ান অইল ক'ৰ্পৰেচন, ভাৰত পেট্ৰ'লিয়াম আৰু হিন্দুস্তান পেট্ৰ'লিয়ামক অতিৰিক্ত ভাণ্ডাৰৰ বাবে আঁচনি প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিছে বুলি যুটীয়া সচিবগৰাকীয়ে প্ৰকাশ কৰে।

শ্ৰীমতী শৰ্মাই কয়, যে দেশত পৰ্যাপ্ত পৰিমাণৰ পেট্ৰ'ল, ডিজেল, ৰন্ধন গেছ, খনিজ তেল আৰু প্ৰাকৃতিক গেছ মজুত আছে আৰু প্ৰতিদিনে প্ৰায় ৯২ হাজাৰ মেট্ৰিক টন ৰন্ধন গেছ উৎপাদন কৰি থকা হৈছে।

000000000

অসম বিধানসভা সচিবালয়ে ঠিকা ভিত্তিকভাৱে নিয়োজিত ১২ গৰাকী অৱসৰপ্ৰাপ্ত বিষয়া কৰ্মচাৰীক দায়িত্বৰ পৰা অব্যাহতি দিছে। বিধানসভাৰ নৱনিযুক্ত অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসৰ নিৰ্দেশ অনুসৰি এই সকল বিষয়া কৰ্মচাৰীক দায়িত্ব পৰা অব্যাহতি দিয়া হৈছে বুলি অসম বিধানসভা সচিবালয়ে এখন নিৰ্দেশনা জাৰি কৰিছে।

00000000

ৰাজ্যত আসন্ন লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে লোকপিয়ল সঞ্চালকালয়ে সকলো ধৰণৰ প্ৰাৰম্ভিক প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। ইয়াৰ বাবে ইতিমধ্যে ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। লোকপিয়লৰ পৰিপ্ৰেক্ষিতত এই গণনাকাৰী বিষয়াসকলৰ অহা ৩১ মাৰ্চ পৰ্যন্ত বদলিত বাধা নিষেধ আৰোপ কৰা হৈছে। এই সন্দৰ্ভত গৃহ মন্ত্ৰালয়ৰ জৰুৰী পত্ৰ লাভৰ পাছতে কৰ্মচাৰী বিভাগে সাধাৰণ প্ৰশাসন বিভাগৰ সচিব আৰু সকলো জিলা আয়ুক্তলৈ নিৰ্দেশ প্ৰেৰণ কৰিছে।

উল্লেখযোগ্য যে ৰাজ্যত অহা ২ আগষ্টত আৰম্ভ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ লোকপিয়লৰ বাবে জিলাই জিলাই গৃহ তালিকা আৰু গৃহ পিয়ল সম্পৰ্কীয় প্ৰশিক্ষণ আৰম্ভ হৈছে। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ জন গণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব।

দেশৰ যোড়শ আৰু স্বাধীনোত্তৰ ভাৰতৰ অষ্টম লোকপিয়লত  সামাজিক অৱস্থা আৰু জাতিগত গণনাকে ধৰি জনসংখ্যা আৰু গৃহ পিয়ল অন্তৰ্ভুক্ত হ'ব। প্ৰথম পৰ্যায়ত ঘৰৰ তালিকা প্ৰস্তুত কৰা হ'ব আৰু দ্বিতীয় পৰ্যায়ত জনসংখ্যাৰ গণনা কৰা হ'ব। ইয়াৰ বাবে অহা বছৰৰ পহিলা এপ্ৰিলক ভিত্তি তাৰিখ হিচাপে নিৰ্ধাৰণ কৰা হৈছে। দেশত এইবাৰ প্ৰথমবাৰৰ বাবে সম্পূৰ্ণ ডিজিটেল প্ৰক্ৰিয়াৰে লোকপিয়ল হৈছে। এই

প্ৰক্ৰিয়াত এণ্ড্ৰইদ আৰু আই অ’ এছৰ মোবাইল এপৰ জৰিয়তে তথ্যসমূহ সংগ্ৰহ কৰা হৈছে। এইবাৰৰ লোকপিয়লত স্ব-গণনাৰো বিকল্প ব্যৱস্থা কৰা হৈছে। লোকপিয়লত জনসাধাৰণে ১৬টা ভাষাত তথ্য দিব পাৰিব।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ **মন কী বাত** অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব। এয়া হ’ব অনুষ্ঠানটোৰ ১৩৪ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ’ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

oooooooo

তামুলপুৰ জিলাৰ আৱকাৰী বিভাগে কালি নাগ্ৰীজুলি আৰক্ষী চকীৰ অধীনৰ ডোঙাৰ গাওঁত অভিযান চলাই বৃহৎ পৰিমাণৰ ভূটানী সুৰা জব্দ কৰে। অঞ্চলটোত অবৈধ সুৰাৰ বেহাৰ বিৰুদ্ধে চলাই থকা অভিযানৰ অংশ হিচাপে এই সফলতা লাভ কৰা হয়। জিলাৰ আৱকাৰী বিভাগৰ উপ অধীক্ষক মানস প্ৰতীম শৰ্মাৰ নেতৃত্বত যোৱা দলটোৱে প্ৰায় ১৪০ কাৰ্টুন ভূটানৰ সুৰা জব্দ কৰিবলৈ সক্ষম হয়। এই কাৰ্য্যৰ সৈতে জড়িত বিমল বড়ো নামৰ ব্যক্তিগৰাকী অভিযানৰ সময়ত পলাই যাবলৈ সক্ষম হয় যদিও তেওঁক কৰায়ত্ত কৰাৰ বাবে অভিযান অব্যাহত আছে।

oooooooo

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত **২০৪৭ চনৰ বিকশিত ভাৰতৰ লক্ষ্য আৰু জনগাঁথনিগত সুযোগৰ সম্ভাৱনা** শীৰ্ষক এটা আলোচনা প্ৰচাৰ কৰা হ’ব। এই আলোচনাত সমল ব্যক্তি হিচাপে অংশ ল’ব আই আই টি গুৱাহাটীৰ স্কুল অব বিজনেছৰ সহযোগী অধ্যাপক ড০ কুলদীপ বৈশ্যই। আলোচনাৰ আঁত ধৰিব পৰিস্মীতা দিহিঙ্গীয়া আৰু জিণ্টী ৰাণী ডেকাই। অনুষ্ঠানটিৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ।

oooooo

কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰাৰ চুপাৰিঘাট কাজিগাওঁ সংযোগী পথত কালি সন্ধিয়া সংঘটিত হোৱা এটা পথ দুৰ্ঘটনাত ২ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে এগৰাকী মহিলা গুৰুতৰভাৱে আহত হয়। আমাৰ সংবাদদাতাই জানিবলৈ দিয়া মতে দুখন মটৰ চাইকেলৰ মুখামুখিকৈ খুন্দা লগাত ফলত এই দুৰ্ঘটনাটো সংঘটিত হয়।

ooooooo

কোকৰাঝাৰ জিলা আয়ুক্ত ড০ পি উদয়প্ৰবীণে কালি জিলাখনৰ স্বাস্থ্যখণ্ডৰ সন্দৰ্ভত এখন পৰ্য্যালোচনা বৈঠকত মিলিত হয়। জিলাখনত স্বাস্থ্য খণ্ডত ৰূপায়িত আঁচনি সমূহ সঠিকভাৱে ৰূপায়নৰ অগ্ৰগতিত তেওঁ গুৰুত্ব আৰোপ কৰে। জিলাখনত এইচ পি ভি প্ৰতিষেধক আঁচনি ৰূপায়ন আৰু অগ্ৰগতিৰ সন্দৰ্ভত তেওঁ সবিশেষ বুজ লয়। জৰায়ুৰ মুখৰ কৰ্কট ৰোগৰ পৰা কন্যা সকলক সুৰক্ষা দিয়াৰ প্ৰতি লক্ষ্য ৰাখি চলোৱা এই অভিযান জিলাখনত সফল কৰি তোলাৰ বাবে ব্যাপক সজাগতা অভিযান চলাবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক তেওঁ নিৰ্দেশ দিয়ে। যক্ষ্মা মুক্ত ভাৰত অভিযানৰ অগ্ৰগতি সন্দৰ্ভতো তেওঁ সবিশেষ বুজ লয়।

বৈঠকত স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত আয়ুক্ত, সহকাৰী আয়ুক্ত আৰু স্বাস্থ্য বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

0000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা নিউ চণ্ডীগড়ত অনুষ্ঠিত দ্বিতীয়খন কোৱালিফায়াৰত গুজৰাট টাইটানছে ৰাজস্থান ৰয়েলছক ৭ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। গুজৰাট টাইটানছে ২১৫ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি সুন্দৰ বেটিঙেৰে ১৮ অভাৰ ৪টা বলত ৩ উইকেটৰ বিনিময়ত অনায়াসে নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। গুজৰাট দলৰ অধিনায়ক শুভমন গিলে ৫৩টা বলত ১০৪ ৰান কৰাৰ লগতে ছাই সুদৰ্শনে ৫৮ ৰান কৰে। শুভমন গিলক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে ৰাজস্থান ৰয়েলছে টছত জিকি প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয় আৰু নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ২১৪ ৰান সংগ্ৰহ কৰে। দলৰ হৈ বৈভৱ সূৰ্যবংশীয়ে ৯৬ ৰানৰ সুন্দৰ ইনিংছ খেলাৰ লগতে ৰবীন্দ্ৰ জাদেজাই ৪৫ ৰানৰ বৰঙণি আগবঢ়ায়। গুজৰাট টাইটানছৰ হৈ কাগিছ' ৰাবাডা আৰু জেচন হ্লডাৰে দুটাকৈ উইকেট দখল কৰে।

প্ৰতিযোগিতাত কাইলৈ আহমেবদাবাদত হ'বলগীয়া ফাইনেলত গুজৰাট টাইটানছ যোৱাবাৰৰ চেম্পিয়ন ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

00000000

জুনৰ প্ৰথম সপ্তাহত হ 'বলগীয়া মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ পূৰ্বে উদ্বিগ্ন মন্ত্ৰীত্বপ্ৰত্যাশী, ইব 'লাৰ আতংক- গুৱাহাটীৰ বিমানবন্দৰত বিশেষ সতৰ্কতা, অসম বিধানসভা সচিবালয়ত অৱসৰৰ পাছত পুনৰ নিযুক্তি লাভ কৰা ১২ গৰাকী বিষয়া-কৰ্মচাৰীক অব্যাহত, অসমত জি এছ ডি পিৰ মাত্ৰ ১দশমিক ৭ শতাংশ ব্যয় স্বাস্থ্যসেৱাত- আদি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।মাত্ৰ ১০ মিনিটৰ ভিতৰতে সীমান্ত পাৰ হৈ ভাৰতত সোমায়- অসম-পশ্চিমবংগত হোৱা অবৈধ প্ৰব্ৰজনৰ আঁৰৰ চাঞ্চল্যকৰ তথ্যৰ বাতৰি এটা **দৈনিক অসম** কাকত খনে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ মৃত্যু গোচৰত শ্যামকানু মহন্ত আৰু শেখৰজ্যোতিৰ জামিন আবেদন নাকচ কৰাৰ বাতৰি **দি আছাম ট্ৰিবিউন** আৰু **আমাৰ অসম** কাকতৰ লগতে আন আন কাকত সমূহেও প্ৰথম পৃষ্ঠাত স্থান দিছে।ৰাজ্যত আসন্ন জনগণনা সুচাৰুৰূপে সম্পন্ন কৰিবলৈ লোকপিয়ল সঞ্চালকালয়ে সকলোধৰণৰ প্ৰাৰম্ভিক প্ৰস্তুতি সম্পন্ন কৰাৰ বাতৰি **নিয়মীয়া বাৰ্তা** কাকতখনে প্ৰথম পৃষ্ঠাত সবিস্তাৰে প্ৰকাশ কৰিছে।দেশৰ সকলো প্ৰথমিক শিক্ষক হ'ব লাগিব টেট উত্তীৰ্ণ- এই শিৰোনামেৰে কেইবাহাজাৰ শিক্ষকৰ আবেদনৰ শুনানি লৈ উচ্চতম ন্যায়ালয়ে দিয়া ৰায়ৰ বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতখনে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। অসমকে দেশৰ বহু অঞ্চলত প্ৰদূষক দ্ৰব্য ২০ শতাংশ বৃদ্ধি পোৱাৰ বাতৰি এটা **দৈনিক অগ্ৰদূত** কাকতে তথ্য সহকাৰে প্ৰকাশ কৰিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ ২০২৫ বৰ্ষৰ এপ্ৰিল মাহৰ পৰাঅভিলেখ সংখ্যক ৫ লাখ ৪৮ হাজাৰ দৰ্শনাৰ্থীৰ আগমণ ঘটাৰ বাতৰি **দা চেন্টিনেল** কাকতৰ।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ।

00000000

বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত মটঙাৰ পল্লা নৈত গা ধুবলৈ গৈ কালি দুটি শিশুৰ মৃত্যু হয়। সমনীয়াৰ সৈতে গা ধুবলৈ যোৱাৰ সময়ত এটি শিশু নৈৰ কোৱাল সোঁতত উটি যোৱা দেখা পায় আনটি শিশুৱে বচাবলৈ যোৱাৰ অৱস্থাতে তেওঁলোকৰ মৃত্যু হয়।

০০০০০০০০

গোৱালপাৰা জিলাৰ মৰনৈ আৰক্ষী থানাৰ সমীপত আজি পুৱতি নিশা বিদ্যুৎস্পৃষ্ট হৈ এটা বনৰীয়া হাতীৰ মৃত্যুৰ হয়। আমাৰ সংবাদদাতাই জানিবলৈ দিয়া অনুসৰি খাদ্যৰ সন্ধানত অঞ্চলটোত প্ৰৱেশ কৰা হাতীৰ জাকটোৱে এজন লোকৰ বাসগৃহলৈ বিদ্যুৎ সংযোগ দিয়া তাঁৰ শুৰেৰে মেৰিয়াই দিয়াৰ সময়ত বিদ্যুৎস্পৃষ্ট হৈ হাতীটোৰ মৃত্যু হয়। ইতিমধ্যে বন বিভাগৰ লোক অঞ্চলটোত উপস্থিত হৈ হাতীটোৰ মৰনোত্তৰ পৰীক্ষাৰ ব্যৱস্থা লৈছে। উল্লেখযোগ্য যে খাদ্যৰ সন্ধানত বনৰীয়া হাতীয়ে দীৰ্ঘ দিনৰে পৰা উপদ্ৰৱ চলাই আহিছে।

০০০০০০০০

ডিব্ৰুগড় জিলাৰ দুলীয়াজান শাখা লেখিকা সন্থাৰ দ্বিবাৰ্ষিক অধিবেশনৰ লগত সংগতি ৰাখি সদৌ অসম ভিত্তিত মদিৰা শইকীয়া ভূঞাৰ সোঁৰৰণত দ্বিতীয় বাৰ্ষিক কাব্য গ্ৰন্থৰ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। প্ৰতিযোগিতাত ১৮ বছৰৰ উৰ্ধৰ ব্যক্তি সকলে অংশ গ্ৰহণ কৰিব পাৰিব। ২০২৩ চনৰ পৰা চলিত বৰ্ষলৈকে প্ৰকাশিত কাব্য গ্ৰন্থৰ ২ টাকৈ কপি প্ৰতিযোগিতাৰ বাবে ১৮ জুনৰ ভিতৰত প্ৰেৰণ কৰিব লাগিব। নিৰ্বাচিত ৩ খন কাব্য গ্ৰন্থক ৫ জুলাইত লেখিকা সন্থাৰ বছেৰেকীয়া অধিবেশনত বঁটা প্ৰদান কৰা হ'ব বুলি লেখিকা সন্থাই অৱগত কৰিছে।

০০০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ কোনো কোনো অংশত পাতলীয়া পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০০

**সমাপ্ত**